জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ২০২/২০২১

**ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ মৃত্যু দিৱসত মহান নেতাগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰীয়ে**

# লোকপ্ৰিয়ৰ মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি ৰাজ্যই পালন কৰিলে কৰ্মচাৰী দিৱস

**দিছপুৰ, ০৫ আগষ্ট ঃ** অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী, ভাৰতৰত্ন লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ ৭১ তম্ মৃত্যুবাৰ্ষিকী উপলক্ষে কামৰূপ মহানগৰ জিলা প্ৰশাসনে আয়োজন কৰা এক অনুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মহান নেতাগৰাকীৰ সমাধিথলীত তেখেতলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই উপলক্ষে আয়োজিত এক সৰ্বধৰ্ম প্ৰাৰ্থনা সভাতো মুখ্যমন্ত্ৰীয়ে অংশগ্ৰহণ কৰে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ভাৰতৰত্ন গোপীনাথ বৰদলৈয়ে ৰাজ্যখনলৈ বৃহৎ অৱদান আগবঢ়াই গৈছে। অসমৰ জনসাধাৰণে এইগৰাকী মহান নেতাৰ সপোনৰ অসমখন বাস্তৱায়িত কৰাৰ বাবে তেখেতৰ আদৰ্শৰে অনুপ্ৰাণিত হৈ নিষ্ঠাৰে কাম কৰিব লাগিব। ৰাজ্যখনৰ ভাগ্য গঢ় দিয়াৰ দিশত লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে বৃহৎ ভূমিকা পালন কৰিছিল। সেয়েহে এইগৰাকী মহান নেতাৰ ৭১ তম্ মৃত্যুবাৰ্ষিকীৰ এই পৱিত্ৰ ক্ষণত মুখ্যমন্ত্ৰী ড° শৰ্মাই তেখেতে ৰাজ্যখনলৈ আগবঢ়োৱা মহান অৱদানক শ্ৰদ্ধাৰে স্মৰণ কৰিছে বুলিও কয়। ৰাজ্যিক কেবিনেটত ভাৰতৰত্ন গোপীনাথ বৰদলৈৰ প্ৰতি উপযুক্ত সন্মান প্ৰদৰ্শন কৰাৰ বাবে গ্ৰহণ কৰা সিদ্ধান্তৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমৰ সুৰক্ষা আৰু অসমক ভাৰতবৰ্ষৰ অবিচ্ছেদ্য অংগ হিচাপে প্ৰতিপন্ন কৰা তথা তেখেতৰ ৰাষ্ট্ৰভক্তিৰ কথা স্মৰণ কৰি ৰাজ্যই আজি তেখেতৰ মৃত্যুবাৰ্ষিকীক কৰ্মচাৰী দিৱস হিচাপে পালন কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে গ্ৰুপিংৰ সময়ত অসমৰ অস্তিত্ব সুৰক্ষাৰ দিশত লোকপ্ৰিয় গোপীনাথ বৰদলৈয়ে যি বলিষ্ঠ অৱদান আগবঢ়াই গৈছে তাৰ বাবে অসমবাসীয়ে এইগৰাকী মহান নেতাৰ ওচৰত চিৰকৃতজ্ঞ হৈ ৰ'ব। সেয়েহে এইগৰাকী মহান নেতাৰ মৃত্যুবাৰ্ষিকীৰ এই পৱিত্ৰ দিনটোক কৰ্মচাৰী দিৱস হিচাপে পালন কৰি তেখেতলৈ উপযুক্ত সন্মান প্ৰদানৰ বাবে চৰকাৰে প্ৰয়াস চলাইছে বুলিও তেওঁ কয়। ক'ভিড-১৯ অতিমাৰীৰ বাবে ৰাজ্য চৰকাৰে এই বৰ্ষত তেখেতৰ মৃত্যু দিৱসটো জাকজমকতাপূৰ্ণভাৱে পালন কৰাৰ যি ইচ্ছা সেয়া পূৰণ কৰিব পৰা নাই। আগন্তুক বৰ্ষত ৰাজ্য চৰকাৰে এই দিৱসটো সকলো জিলা আৰু মহকুমাতে জাকজমকতাপূৰ্ণভাৱে পালনৰ পদক্ষেপ ল'ব বুলিও তেওঁ কয়। এই দিৱসটোতে নিষ্ঠাৱান কৰ্মচাৰীক তেওঁলোকে আগবঢ়োৱা সেৱাৰ স্বীকৃতিকল্পে সন্মানিত কৰা হ'ব বুলিও তেওঁ কয়।

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

ৰাজ্যখনলৈ লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ বৃহৎ বৰঙনিৰ স্বীকৃতিকল্পে উচ্চতৰ মাধ্যমিক পৰ্যায়ত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে তেওঁৰ জীৱনী সামৰি প্ৰকাশ কৰা এখন গ্ৰন্থ অধ্যয়ন কৰাটো বাধ্যতামূলক কৰা হ'ব বুলিও আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

আজিৰ অনুষ্ঠানত গৃহ আৰু ৰাজনৈতিক বিভাগৰ প্ৰধান সচিব নীৰজ বাৰ্মা, লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ পুত্ৰ বলিন বৰদলৈৰ লগতে পৰিয়ালৰ আন আন সদস্যসকল, কামৰূপ মহানগৰ জিলাৰ উপায়ুক্ত বিশ্বজিৎ পেগুৰ লগতে বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ**
**০৫/০৮/২০২১**